মোক মোৰ অন্তৰঙ্গ বন্ধুৱে (অৰ্থাৎ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে) তিনিটা বিষয়ৰ উপদেশ দিছে। প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবলৈ, চাস্তৰ সময়ত দুই ৰাকাত নামাজ পঢ়িবলৈ, আৰু মই যেন টোপনি যোৱাৰ আগত ৱিতিৰ পঢ়ি শুবলৈ যাওঁ।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ "মোক মোৰ অন্তৰঙ্গ বন্ধুৱে (অৰ্থাৎ নবী চাল্লাল্লাহু আলাইহি অছাল্লামে) তিনিটা বিষয়ৰ উপদেশ দিছে। প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবলৈ, চাস্তৰ সময়ত দুই ৰাকাত নামাজ পঢ়িবলৈ, আৰু মই
যেন টোপনি যোৱাৰ আগত ৱিতিৰ পঢ়ি শুবলৈ যাওঁ।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে, তেওঁৰ অন্তৰঙ্গ প্ৰিয় বন্ধুৱে তেওঁক তিনিটা উপদেশ দিছে যে, ১) প্ৰত্যেক মাহত তিনিটা ৰোজা ৰাখিবা। ২) দৈনিক চাস্তৰ সময়ত দুই ৰাকাত নামাজ পঢ়িবা। ৩) ৰাতি শুবলৈ যোৱাৰ আগত ৱিতিৰ পঢ়ি ল'বা। এইটো হৈছে সেই ব্যক্তিৰ বাবে যিয়ে শেষ ৰাতি উঠিব নোৱাৰিব বুলি আশংকা কৰে।

https://sunnah.global/hadeeth/as/show/4538